# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। কাইলৈ পুৱা ৮ বজাৰ পৰা ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা। দুপৰীয়াৰ ভাগত ভোটগণনাৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা।

২। স্বচ্ছতাৰ প্ৰতি দায়বদ্ধতা আৰু পৰিৱেশৰ বহনক্ষমতাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকাৰ বাবে অসম ঔদ্যোগিক উন্নয়ন নিগমলৈ ৰাষ্ট্ৰীয় বঁটা।

৩। আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ ল'ৰাৰ একক শাখাত ভাৰতৰ সেহাজ সিং পাৱাৰৰ ফাইনেলত প্ৰৱেশ। **আৰু**

৪। ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ প্ৰথম টেষ্টত বেগী বলাৰৰ আধিপত্য। প্ৰথম দিনা ভাৰতৰ ১৫০ ৰানৰ প্ৰত্যুত্তৰত দিনটোৰ সামৰণিত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত ৭ উইকেটত ৬৭ ৰান সংগ্ৰহ।

ooooo

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ মুঠ ৬৮ খন ভোটগণনা মেজত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ উপৰিও ডাকযোগে অহা বেলট কাকতসমূহ গণনাৰ বাবেও এই ৫টা সমষ্টিত মুঠ ৯ খন মেজত ভোটগণনা কৰা হ'ব। নিৰ্বাচন বিভাগৰ সূত্ৰই জনোৱা অনুসৰি কাইলৈ পুৱা প্ৰথমে ডাকযোগে অহা বেলট কাকতসমূহৰ গণনা কৰা হ'ব। তাৰ পাছত ৮৫ বছৰ ঊৰ্ধৰ ভোটদাতাসকলে বেলট কাকতত দিয়া ভোটসমূহ গণনা কৰা হ'ব। দুপৰীয়াৰ ভাগত ভোটগণনাৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে। এই সম্পৰ্কত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে এইদৰে কয়-

**বাইট (অনুৰাগ গোৱেল)**

বিভিন্ন জিলাৰ নিৰ্বাচনী বিষয়াসকলৰ উদ্ধৃতি দি আমাৰ জিলা সংবাদদাতাসকলে জনোৱা অনুসৰি ধলাইত ৰামনগৰৰ আন্তঃৰাজ্যিক ট্ৰাক টাৰ্মিনেলৰ কেন্দ্ৰত, চিদলীত কাজলগাঁৱৰ জিলা কেন্দ্ৰত, বঙাইগাঁৱত বঙাইগাঁও মহাবিদ্যালয়ত, বিহালী আৰু চামগুৰি সমষ্টিৰ ভোটগণনা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ভোটগণনা কেন্দ্ৰত অনুষ্ঠিত হ'ব।

ভোটগণনাৰ বাবে প্ৰায় তিনিশ পঞ্চাছ গৰাকী কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। ভোটগণনা কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে আৰু ভোটগণনা কেন্দ্ৰসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে ভোটগণনাৰ ফলাফল প্ৰাৰ্থী আৰু সংবাদ মাধ্যমক জনোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই সমষ্টিকেইটাত যোৱা ১৩ নৱেম্বৰত অনুষ্ঠিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণত সামগ্ৰিকভাৱে প্ৰায় ৭৬ শতাংশ ভোটাদাতাই ভোটদান কৰিছিল।

কাইলৈ ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাও অনুষ্ঠিত হ'ব।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় পৰিষদে ২০২৫ চনত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে অহা ২৫ নৱেম্বৰত প'ৰ্টেল পুনৰ মুকলি কৰিব। সেই অনুসৰি প্ৰ-পত্ৰ পূৰণৰ বাকী থকা সকলো কাম ২৬ নৱেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। একেদৰে মাচুল আদায়ৰ অন্তিম তাৰিখ ২৭ নৱেম্বৰ নিৰ্ধাৰণ কৰা হৈছে। প্ৰ-পত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনাইছে। লগতে অফলাইনত কোনোধৰণৰ প্ৰ-পত্ৰ গ্ৰহণ কৰা নহয় বুলি প্ৰকাশ কৰিছে।

০০০০০০

০০০০০

গুৱাহাটীৰ বেতকুচিত জলজীৱন মিছন, অসমৰ ৮১ গৰাকী নৱনিযুক্ত সহকাৰী অভিযন্তাৰ অন্তৰ্ভুক্তি প্ৰশিক্ষণ অনুষ্ঠান আৰম্ভ হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত নতুনকৈ নিযুক্তি লাভ কৰা এইসকল যুৱক-যুৱতীক নিষ্ঠা আৰু সততাৰে বিভাগৰ বিকাশৰ অৰ্থে কাম কৰি যাবলৈ আহ্বান জনায়।

০০০০০

ৰাজ্যৰ যুৱশক্তিৰ দক্ষতা বৃদ্ধি আৰু বিভিন্ন ধৰণৰ দক্ষতা সম্পৰ্কীয় নিযুক্তিৰ সুযোগ সৃষ্টিৰ বাবে জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ উদ্যোগত এলানি কেৰিয়াৰ কাউন্সেলিং আৰু বৃত্তিমূলক পৰামৰ্শ কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই অভিযানৰ অংশ হিচাপে আজি গুৱাহাটীত নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ৰ অধীনত জিলা নিয়োগ বিনিময় কেন্দ্ৰ আৰু আদৰ্শ কেৰিয়াৰ কেন্দ্ৰই এই কাৰ্যসূচী অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত দক্ষতা, নিয়োগ আৰু  উদ্যমীতা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। আজিৰ এই অনুষ্ঠানত গুৱাহাটীৰ শিক্ষাৰ্থীক বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰু ভৱিষ্যত কেৰিয়াৰ সম্বন্ধে পৰামৰ্শ আগবঢ়োৱা হয়।

০০০০০

ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ্ছ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীয়ে অসম ঔদ্যোগিক উন্নয়ন নিগমক সন্মানিত কৰিছে। স্বচ্ছতাৰ প্ৰতি দায়বদ্ধতা আৰু পৰিৱেশৰ বহনক্ষমতা, আৱৰ্জনা ব্যৱস্থাপনা আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰাৰ বাবে অসম ঔদ্যোগিক উন্নয়ন নিগমে এই বঁটা লাভ কৰে। ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডলৈ গৌৰৱ কঢ়িয়াই অনা অসম ঔদ্যোগিক উন্নয়ন নিগমৰ বিষয়া আৰু কৰ্মচাৰীলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

চৰাইদেউ জিলাত অহা ২ ডিচেম্বৰৰ পৰা কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় কুষ্ঠ নিৰ্মূল কাৰ্যসূচীৰ অংশ হিচাপে জিলাখনৰ ১ লাখৰো অধিক লোকৰ ঘৰে ঘৰে এই অভিযান চলিব। স্বাস্থ্য বিভাগৰ বিশেষ দলে কুষ্ঠৰোগ চিনাক্তকৰণ অভিযানত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচী সুকলমে সম্পন্ন কৰাৰ বাবে চৰাইদেউৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত সমাজ কল্যাণ, শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ লগতে শ্ৰম বিভাগৰ বিষয়া উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে প্ৰতিটো

বিভাগকে তেওঁলোকৰ ওপৰত ন্যস্ত দায়িত্ব আৰু কৰ্তব্য সুকলমে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে জিলাখনত ৪৮৬টা দলে ঘৰে ঘৰে গৈ এই অভিযানত অংশগ্ৰহণ কৰিব। এই দলসমূহত এগৰাকী আশা কৰ্মী আৰু এজন পুৰুষ স্বেচ্ছাসেৱক থাকিব।

ooooo

যোৰহাট জিলা পুথিভঁৰালৰ পীতাম্বৰ দেৱগোস্বামী প্ৰেক্ষাগৃহত আজি জিলাখনৰ দিব্যাংগসকলক বিনামূলীয়া সামগ্ৰী বিতৰণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ বিশেষভাৱে সক্ষম ব্যক্তি সৱলীকৰণ বিভাগৰ তত্বাৱধানত কাম কৰা ৰাজহুৱা খণ্ডৰ উদ্যোগ আলিমক'ৰ পৃষ্ঠপোষকতাত ১০১জন দিব্যাংগক উন্নত মানৰ বেটাৰীচালিত ট্ৰাই চাইকেল, হুইল চেয়াৰ, কাণেৰে শুনা যন্ত্ৰ, ষ্টীলৰ পেং আদি বিতৰণ কৰা হয়। অনুষ্ঠানত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ভাস্কৰ বৰুৱা আৰু ৰূপজ্যোতি কুৰ্মীয়ে সামগ্ৰীসমূহ বিতৰণ কৰে।

যোৰহাট জিলাৰ সাতটা সংহত শিশু উন্নয়ন প্ৰকল্পত মুঠ এহেজাৰ ৩১৫ গৰাকী দিব্যাংগক প্ৰায় ৬৫ লাখ টকাৰ সামগ্ৰী বিনামূলীয়াকৈ বিতৰণৰ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি আকাশবাণীৰ যোৰহাটৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

বৰপেটা জিলাৰ ষ্ট্ৰ'বেৰীৰ খেতিয়কসকলৰ উৎপাদিত ফচল যাতে বজাৰৰ অভাৱত নষ্ট নহয়, তাৰ বাবে জিলাখনৰ কৃষি বিজ্ঞান কেন্দ্ৰই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে হাউলীৰ কৃষি বিজ্ঞান কেন্দ্ৰত আজি কৰ্মশালাৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত সমীৰ চৌধুৰী নামৰ উদ্যোগী এজনে শুকান ষ্ট্ৰ'বেৰীৰ উৎপাদন আৰম্ভ কৰিছে। সমীৰ চৌধুৰীয়ে উৎপাদন কৰা শুকান ষ্ট্ৰ'বেৰীয়ে ইতিমধ্যে গ্ৰাহকক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। সেয়েহে জিলাখনৰ ষ্ট্ৰ'বেৰীৰ উৎপাদকসকলক বজাৰৰ লগত সংযোগ কৰি দিয়া, শুকান ষ্ট্ৰ'বেৰী উৎপাদন উদ্যোগলৈ সামগ্ৰী যোগান ধৰা বিষয়টো সন্দৰ্ভত কৰ্মশালাত গুৰুত্ব আৰোপ কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰটোৰ জ্যেষ্ঠ বিজ্ঞানী ড০ অৰূপ কুমাৰ ডেকাৰ অধ্যক্ষতাত অনুষ্ঠিত এই কৰ্মশালাখনত জিলাখনৰ প্ৰায় ৩০ গৰাকী ষ্ট্ৰ'বেৰী উৎপাদকে অংশগ্ৰহণ কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ সঞ্চালক ৰবিন চন্দ্ৰ বড়োক আজি আকাশবাণীৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে তেওঁ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৰূপে পদোন্নতি লাভ কৰাৰ বাবে আনুষ্ঠানিকভাৱে অভিনন্দন জনায়। শ্ৰী বড়োৱে দূৰদৰ্শনৰ উত্তৰ-পূব অতিৰিক্ত সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত অভিযান্ত্ৰিক শাখাৰ উপ-মহা নিৰ্দেশকৰ নতুন পদত যোগদান কৰিব। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৰালিউল্লা খান, বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ, অনুষ্ঠান শাখাৰ মুৰব্বী কাৰ্তিক সূত্ৰধৰ আৰু অন্যান্যসকলে শ্ৰী বড়োৰ বহুমুখী প্ৰতিভা আৰু উদ্ভাৱনী চিন্তা সকলোৰে বাবে আদৰ্শ হৈ থাকিব বুলি মন্তব্য কৰে। অভিনন্দন গ্ৰহণ কৰি শ্ৰী বড়োৱে তেওঁ সদায়ে আকাশবাণী পৰিয়ালৰ অংশ হৈ আছিল আৰু হৈ থাকিব বুলি মন্তব্য কৰে।

ooooo

মাজুলীৰ ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি জিলা মহিলা সৱলীকৰণ কেন্দ্ৰ, মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত 'বেটী বচাও, বেটী পঢ়াও' আঁচনিৰ অধীনত 'মৌনতা ভংগ কৰক –

ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থাপনা’ শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত ঋতুস্ৰাৱৰ সময়ত মানি চলিবলগীয়া পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে আলোচনা কৰা হয়।

ooooo

বৰপেটা জিলা প্ৰশাসনে জলজীৱন অভিযানৰ অধীনত গ্ৰাম্য পানীযোগান আঁচনিসমূহৰ ক্ষেত্ৰভিত্তিক পৰ্যালোচনা অব্যাহত ৰাখিছে। দায়িত্বপ্ৰাপ্ত বিষয়াসকলে ক্ষেত্ৰ পৰিদৰ্শন কৰি আঁচনি পৰিচালনাৰে জড়িত জল ব্যৱহাৰকাৰীক সমিতিসমূহৰ কাম-কাজৰ মূল্যায়ন কৰিছে বুলি আজি জিলাখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে সদৰি কৰে। জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই আজি ঔমুৰা পানীযোগান আঁচনি পৰিদৰ্শন কৰি প্ৰকল্পটোৰ প্ৰাৰম্ভিক মূল্যায়ন কৰে। এই মূল্যায়নত পানীযোগানৰ ধাৰাবাহিকতা আৰু মান, শুল্ক সংগ্ৰহ আদি দিশবোৰ পৰীক্ষা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে বিষয়াসকলক এই আটাইবোৰ দিশ সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়।

ooooo

গোৱালপাৰা জিলাৰ মৰনৈৰ দহিকটা আৰু ৰাজাপাৰা অঞ্চলত এটা বৃহৎ হাতীৰ জাকে মুক্ত বিচৰণ কৰি থকাৰ ফলত অঞ্চলটোৰ ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। হাতীৰ জাকটোৱে দিনত দহিকটা অঞ্চলত বিচৰণ কৰি বিয়লিৰ ভাগত ৰাজাপাৰা অঞ্চলৰ ধাননি পথাৰৰ ক্ষতিসাধন কৰি পুৱালৈ পুনৰ দহিকটা অঞ্চললৈ আহে। বন বিভাগে ইতিমধ্যে অঞ্চলকেইটাত দিনে-নিশাই পহৰাৰ ব্যৱস্থা কৰিছে।

ooooo

ৰাষ্ট্ৰীয় স্বীকৃতি আৰু প্ৰত্যায়ন পৰিষদ চমুকৈ **নাক**-এ দৰং জিলাৰ মঙলদৈ মহাবিদ্যালয়লৈ এ-গ্ৰেড প্ৰদান কৰিছে। আজি মহাবিদ্যালয় কৰ্তৃপক্ষই আনুষ্ঠানিকভাৱে এই ফলাফল লাভ কৰে। এই আশাব্যঞ্জক ফলাফলে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু প্ৰাক্তন শিক্ষাৰ্থীক আনন্দিত কৰি তুলিছে। উল্লেখযোগ্য যে যোৱা ১২ আৰু ১৩ ছেপ্তেম্বৰত নাকৰ এটা তিনিজনীয়া প্ৰতিনিধি দলে শিক্ষানুষ্ঠানখন পৰিদৰ্শন কৰিছিল।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ’ত থকা আলোচকসকলৰ সৈতে যুক্ত হ’ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

ooooo

আকাশবাণী গুৱাহাটীৰ বিবিধ ভাৰতী চেনেলৰ পৰা প্ৰচাৰিত মুখ্য বাতৰিৰ সময়সূচী অহা ১ ডিচেম্বৰৰ পৰা সামান্য পৰিৱৰ্তন ঘটোৱা হ’ব। সেই অনুসৰি দিনৰ ১০ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি সেইদিনাৰ পৰা পুৱা ৭ বাজি ২৮ মিনিটত আৰু সন্ধিয়া ৬ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত হ’ব।

ooooo

গুৱাহাটীৰ চচলত অনুষ্ঠিত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ ল'ৰাৰ একক শাখাত শীৰ্ষ বাছনিৰ ভাৰতৰ সেহাজ সিং পাৱাৰে ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনত আজি অনুষ্ঠিত ছেমি ফাইনেলত সেহাজে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইজিয়ান আহমেদক পৰাস্ত কৰে। কাইলৈ হ'বলগীয়া ফাইনেলত সেহাজে ভাৰতৰ বাছনিবিহীন খেলুৱৈ অৰ্জুন ৰাথীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজি অনুষ্ঠিত ল'ৰাৰ একক শাখাৰ আনখন ছেমি ফাইনেলত অৰ্জুনে ষষ্ঠ বাছনিৰ প্ৰণীল শৰ্মাক পৰাস্ত কৰে। আনহাতে কাইলৈ হ'বলগীয়া ছোৱালীৰ একক শাখাৰ ফাইনেলত ভাৰতৰ শীৰ্ষ বাছনি ঋষিতা ৰেড্ডী আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বিতীয় বাছনিৰ প্ৰিয়ংক ৰাণাৰ মুখামুখি হ'ব। উল্লেখযোগ্য যে সদৌ অসম টেনিছ সন্থাই সৰ্বভাৰতীয় টেনিছ সংস্থাৰ সহযোগত আয়োজন কৰা এই প্ৰতিযোগিতাখনৰ ল'ৰা আৰু ছোৱালীৰ ডাবলছৰ ফাইনেল আজি অনুষ্ঠিত হয়। ল'ৰাৰ ডাবলছ শাখাত শীৰ্ষ বাছনিৰ ফ্ৰান্সৰ এৰন গাবেট আৰু ভাৰতৰ সেহাজ সিং পাৱাৰ চেম্পিয়নৰ সন্মান অৰ্জন কৰে। আনহাতে ভাৰতৰ ঐশ্বৰ্য যাদৱ আৰু সোহিনী সঞ্জয় মহন্তীয়ে ছোৱালীৰ ডাবলছ শাখাৰ খিতাপ অৰ্জন কৰে।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথম টেষ্টৰ আজি প্ৰথম দিনা বেগী বলাৰসকলৰ আক্ৰমণাত্মক বলিঙত ভাৰত আৰু অষ্ট্ৰেলিয়া দুয়োটা দলৰে বেটিং বিপৰ্যয় ঘটে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰি বিপৰ্যয়ৰ সন্মুখীন হয়।

প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ ৰেড্ডীয়ে সৰ্বাধিক ৪১ ৰান সংগ্ৰহ কৰে। ঋষভ পণ্টে ৩৭ আৰু কে এল ৰাহুলে ২৬ ৰান কৰে। হেজেলউদে ২৯ ৰান দি চাৰিটা আৰু মিচেল ষ্টাৰ্ক আৰু পে'ট কামিংছে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত প্ৰথম ইনিংছ আৰম্ভ কৰি অষ্ট্ৰেলিয়াও বিপৰ্যয়ৰ সন্মুখীন হয় আৰু প্ৰথমদিনাৰ খেলৰ সামৰণিত ৭ উইকেটৰ বিনিময়ত ৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক যশপ্ৰীত বুমৰাই ১৭ ৰানত ৪টা, মহম্মদ ছিৰাজে দুটা আৰু টেষ্ট ক্ৰিকেটত অভিষেক ঘটা হৰ্ষিত ৰানাই এটা উইকেট দখল কৰে। প্ৰথম দিনাৰ সামৰণিত প্ৰথম ইনিংছৰ তিনিটা উইকেট বাকী থকা অৱস্থাত অষ্ট্ৰেলিয়া ভাৰততকৈ ৮৩ ৰান পিছ পৰি আছে।

ooooo

অসমৰ ল'ন বল খেলুৱৈ নয়ণমণি শইকীয়া আৰু পুতুল সোণোৱালে অহা ২৫ নৱেম্বৰৰ পৰা নিউজিলেণ্ডৰ অকলেণ্ডত হ'বলগীয়া বিশ্ব ব'ল্‌ছ চেম্পিয়ন্‌ছ অৱ্ চেম্পিয়নছ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। খেলুৱৈ দুগৰাকীয়ে ইতিমধ্যে অকলেণ্ডলৈ ৰাওনা হৈছে। বিশ্ব ব'ল্‌ছ লিমিটেড শীৰ্ষ চেম্পিয়নশ্বিপত কেৱল ৰাষ্ট্ৰীয় চেম্পিয়ন্‌ছসকলকহে নিজ নিজ দেশক প্ৰতিনিধিত্ব কৰাৰ বাবে অনুমতি প্ৰদান কৰা হয়। অসমৰ ল'ন বলিং সংস্থাৰ সভাপতি দুৰ্গা দাস বড়ো আৰু সম্পাদক নৱ বসুমতাৰীয়ে খেলুৱৈ দুগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

অসমৰ প্ৰতিভাৱান টেনিছ খেলুৱৈ ফাগুনজ্যোতিয়ে গুৰুগ্ৰামত অনুষ্ঠিত আইটা ৰাষ্ট্ৰীয় ৰেংকিং চেম্পিয়নশ্বিপ ছিৰিজ টেনিছত খিতাপ জয় কৰিবলৈ সমৰ্থ হৈছে। ফাগুনজ্যোতিয়ে ছোৱালীৰ ১২ ১২ বছৰ অনূৰ্ধৰ ডাবলছ শাখাত চেম্পিয়নৰ সন্মান অৰ্জন কৰাৰ লগতে ১২ বছৰ অনূৰ্ধৰ একক শাখাত ৰাৰ্ণাছআপ হয়।

00000

রাজ্যখনৰ এগৰাকী বিশিষ্ট চিত্ৰশিল্পী মনেশ্বৰ ব্ৰহ্মৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৭ বছৰ। শান্তি নিকেতনত চিত্ৰকলাৰ শিক্ষা লাভ কৰা ব্ৰহ্মই ললিত কলা একাডেমী বঁটা, কৰ্ণাটকম চিত্ৰকলা পৰিষদ বঁটাকে ধৰি ভালেমান ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত হৈছিল। আজি প্ৰাতঃভ্ৰমণ কৰি থকা অৱস্থাত তেওঁ ঢলি পৰে আৰু হাস্পতাললৈ নিয়াৰ পথত শেষ নিশ্বাস ত্যাগ কৰে। দেশ-বিদেশৰ বিভিন্ন স্থানত চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হোৱা শিল্পীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ললিতকলা শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

000000

সমাপ্ত